

*টোকা ঃ অসমৰ অন্যতম চৰ্চিত জনগোষ্ঠীসমূহৰ ভিতৰত কোচ ৰাজবংশীৰ গোষ্ঠীগত পৰিচয়ৰ ক্ষেত্ৰত বেছ কিছু মতানৈক্য দেখিবলৈ পোৱা যায়। ইয়াৰ ঘাই কাৰণ হিচাপে গৱেষকসকলৰ হাতত ব্যৱহৃত তথ্যৰ উৎস আৰু তেনেবোৰ উৎসক বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰাৰ প্ৰচেষ্টা যথোপযুক্ত নহয় বুলি ক'ব লাগিব। কিন্তু তাৰ মাজতো এই জনগোষ্ঠীয়ে স্বকীয় পৰিচয় বিচাৰি গোষ্ঠীগত স্বাৰ্থৰ উৰ্দ্ধত গৈ কামতাপুৰ নামৰ এক বিশাল ভূ-খণ্ডৰ একতাৰ বাবে কৰি অহা সংগ্ৰামে ৰাজনৈতিক আৰু বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। ঘাইকৈ উমৈহতীয়া সংস্কৃতি, জাতীয়তাবাদী চেতনাই এই ক্ষেত্ৰত শক্তিশালীৰূপে কাম কৰিছে। অৰূপজ্যোতি দাসৰ নিম্নোক্ত প্ৰবন্ধত এই গোটেই প্ৰক্ৰিয়াটোৰ বিষয়ে এটা থুলমূল আভাস দিয়াৰ প্ৰয়াস নিহিত হৈ আছে। দাসৰ ধাৰণাত জাতীয়তাবাদৰ প্ৰশ্নটো লৈ পণ্ডিতমহলে বিতৰ্ক চলাই থাকিলেও, এজন সাধাৰণ খাটি খোৱা কোচ ৰাজবংশীৰ জীৱনলৈ কোনো বিশেষ পৰিৱৰ্তন নামি নাহে। তাৰ বিপৰীতে কোচ ৰাজবংশীৰ জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰগতিশীল হ'বই লাগিব। আৰু এনে প্ৰগতিশীল চৰিত্ৰৰ মাজেদিয়েই জাতীয় জীৱনলৈ পৰিৱৰ্তন আৰু প্ৰগতিৰ নতুন ঢৌ নামি আহিব।*

# কোচ-ৰাজবংশীৰ গোষ্ঠীগত পৰিচয় আৰু জাতিগঠন

অৰূপজ্যোতি দাস

সাম্প্ৰতিক সময়ৰ অন্যতম চৰ্চিত জনগোষ্ঠী হ'ল কোচ-ৰাজবংশী। অৱশ্যে এই চৰ্চাৰ আঁবত জনগোষ্ঠীটোৰ বৰ্ণাঢ্য ইতিহাস-সংস্কৃতিয়ে ক্ৰিয়া কৰাতকৈ তেওঁলোকৰ আজিৰ আত্মনিয়ন্ত্ৰণৰ আন্দোলনে (কামতাপুৰ আন্দোলন) সৃষ্টি কৰা বৌদ্ধিক উৎসুকতা তথা অন্য কিছুমান কাৰকেহে অধিক ক্ৰিয়া কৰিছে। যি কি নহওক, কোচ-ৰাজবংশীয়ে বহু আগৰ পৰাই দেশী-বিদেশী লেখক-গৱেষকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈ আহিছে। মন কৰিবলগীয়া কথাটো হ'ল কোচ-ৰাজবংশীৰ বিষয়ে আলোচনা কৰিবলৈ যাওতে বেছিভাগ ইতিহাসবিদেই বিবুধিত পৰা দেখা যায়। কোচ শব্দটোৰ অৰ্থ ব্যাখ্যা কৰিবলৈ গৈ এডৱাৰ্ড গেইট ডাঙৰীয়াই A History of Assam-ত লিখিছে, the word 'Koch' is a term of some ambiguity' (Gait 1984:46)। অকল গেইটেই নহয়, তেওঁৰ সমসাময়িক অথবা আগৰ-পিছৰ বহুতো ঔপনিৱেশিক নাইবা জাতীয়তাবাদী ইতিহাসবিদেও কোচ-ৰাজবংশী সম্পৰ্কে আলোচনা কৰোঁতে গেইটৰ দৰে একেই সমস্যাত পৰা দেখা যায়। ইয়াৰ মূলতে হ'ল কোচ-ৰাজবংশীক এটা সামাজিক গোট হিচাপে মানি লোৱাতকৈ যি কোনো বিশেষ নৃগোষ্ঠীয় 'কেটেগ'ৰিত সুমুৱাবলৈ বিচৰাতো। বড়ো, গাৰো আদি জনগোষ্ঠীৰ ক্ষেত্ৰত যিবোৰ কথা ইতিহাসবিদ-গৱেষকসকলে ডাঠি কৈছে (যেনে বড়োসকল মংগোলীয়), সেইবোৰ কথা কোচ-ৰাজবংশীৰ ক্ষেত্ৰত তেওঁলোকে ডাঠি ক'ব পৰা নাই। বৈচিত্ৰ্যময় জাতিগঠন, নৃগোষ্ঠীয় আৰু সাংস্কৃতিক ইতিহাসৰ সমান্তৰলভাৱে ৰাজতন্ত্ৰৰ ইতিহাসৰ প্ৰবল উপস্থিতিয়ে কোচ-ৰাজবংশীক ইয়াৰ সমগোত্ৰীয় বড়ো বা আন জনগোষ্ঠীতকৈ এক সুকীয়া পৰিচয় প্ৰদান কৰিছে। তদুপৰি যোল্ল শতিকাত সাম্ৰাজ্য বিস্তাৰৰ প্ৰয়োজনত গোষ্ঠীগত পৰিচয়ৰ উৰ্ধ্বত গৈ কামতাপুৰ নামৰ এক বিশাল ভূখণ্ডৰ একতাৰ বাবে সকলোৰে গ্ৰহণযোগ্য উমৈহতীয়া সংস্কৃতি, জাতীয় সাহিত্য-জাতীয়তাবাদৰ সৃষ্টিত কোচ-ৰাজবংশীসকলে নিজৰ অজানিতেই আগভাগ লৈছিল। কোচ-ৰাজবংশীৰ বিষয়ে আলোচনা কৰোঁতে এই কথাবোৰ মনত ৰাখিব পাৰিলে ভাল।

বৰ্তমান নেপাল, ভাৰত, বাংলাদেশ আৰু ভূটানৰ ভূমিপুত্ৰৰূপে পৰিচিত আমি আজিৰ তাৰিখত যিটো জনগোষ্ঠীক কোচ ৰাজবংশী বুলি কওঁ, এওঁলোক ঠায়ে ঠায়ে 'কোচ' আৰু ঠায়ে ঠায়ে

OKDISCD



### জনগোষ্ঠীয় সংস্কৃতিত এভুমুকি

**মুন কুমাৰ ডেকা**

সংবাদকৰ্মী মুন কুমাৰ ডেকা কৰ্মসূত্ৰে দীৰ্ঘদিন কাৰবি আংলঙৰ কাৰবি সমাজ জীৱনৰ সৈতে যুক্ত হৈ আহিছে। তাৰেই ফচল 'জনগোষ্ঠীয় সংস্কৃতিত এভুমুকি' গ্ৰন্থখন। মুঠ ১৫টা প্ৰবন্ধ সন্নিৱিষ্ট সংকলনখনিত অধিকাংশই কাৰবি সাহিত্য-সংস্কৃতিৰ নানা দিশ প্ৰতিফলিত কৰি লিখা। গ্ৰন্থখনিৰ প্ৰকাশক কাৰবি সাহিত্য সভাৰ ১৭শ বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতি।




### মিচিং ভাষাৰ আভাস

**নাহেন্দ্ৰ পাদুন**

মিচিং ভাষাৰ বিষয়ে বৈজ্ঞানিক তথা বিদ্যায়তনিকভাৱে আলোচনা কৰিছে গ্ৰন্থখনত। গ্ৰন্থখনৰ মুঠ ৯টা প্ৰবন্ধ তথা অধ্যায়েৰে মিচিং ভাষাৰ জন্ম, বিকাশ, মিচিং ভাষাৰ বংশ-পৰিয়াল, আদি জনগোষ্ঠীসকলৰ ভাষাৰ পাৰস্পৰিক সম্পৰ্কৰ পৰা মিচিং ভাষাৰ ধ্বনিতত্ত্বলৈকে লেখকে সূক্ষ্মভাৱে আলোকপাত কৰিছে। গ্ৰন্থখনিৰ দ্বিতীয় সংস্কৰণখনি প্ৰকাশ কৰিছে কৌস্তুভ প্ৰকাশনে। লেখক মিচিং ভাষা সাহিত্যৰ লগতে অসমীয়া ভাষা সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক।

'ৰাজবংশী' এই দুই ভিন্ন নামেৰে পৰিচিত। যাইকৈ য'ত য'ত কোচ ৰাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল তাত তাত এওঁলোক ৰাজবংশী ৰূপে পৰিচিত। যেনে, কোচবিহাৰ, বিজনী, বেলতলা, দৰং, কাছাৰ আদি ঠাইত ৰাজবংশী শব্দটোৰ সমাদৰ বেছি। নেপালৰ কোচ-ৰাজবংশীসকল তাজপুৰীৰূপেও পৰিচিত। 'কোচ' আৰু 'ৰাজবংশী' শব্দ দুটা একত্ৰিত কৰি 'কোচ ৰাজবংশী' বুলি ক'বলৈ আৰম্ভ কৰাটো কিছু পৰিমাণে নতুন যেন লাগে। উত্তৰ বংগৰ ৰাজবংশীসকলে কোচ শব্দটো ব্যৱহাৰ কৰিবলৈ বেয়া পায় যদিও শেহতীয়াকৈ এই মানসিকতাৰ পৰিৱৰ্তন হোৱা যেন অনুভৱ হয়। অসমত আজিকালি কোচ আৰু ৰাজবংশী শব্দ দুটা বেলেগে বেলেগে ব্যৱহাৰ নকৰি একেলগে ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে এতিয়াও তিব্বতী বাৰ্মি কোচ ভাষা কোৱা কোচসকলে ৰাজবংশী শব্দটো একেবাৰেই ব্যৱহাৰ নকৰে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আগতেও উল্লেখ কৰিছোঁ যে ৰাজবংশী শব্দটোৰ সৈতে ৰাজতন্ত্ৰৰ সম্পৰ্ক আছে। অম্বিকাচৰণ চৌধুৰীয়ে ঠিকেই কৈছে, 'কামতা সাম্ৰাজ্যৰ মূল আৰু কেন্দ্ৰীয় জনগোষ্ঠী আছিল কোচ নামে পৰিচিত ভূমিপুত্ৰসকল। এওঁলোকৰে সংগ্ৰামী আৰু উদ্যোগী কিছুমানে উত্তৰ পূৱ ভাৰতৰ বিভিন্ন অঞ্চলত ৰাজত্ব কৰিছিল বাবেই, ৰাজত্ব কৰা জনগোষ্ঠীৰ লোক হোৱাৰ বাবে এওঁলোকৰ নাম 'ৰাজবংশী'। সেয়ে জনপ্ৰিয়ভাৱে এওঁলোকে পৰিচয় দিয়ে 'কোচ-ৰাজবংশী' বুলি। আচলতে গোষ্ঠীগত (ethnically) পৰিচয়ত এওঁলোক 'কোচ' ৰাজনৈতিক আৰু সামাজিকভাৱে 'ৰাজবংশী' (চৌধুৰী, দ্ৰষ্টব্য ঃ বৰুৱা ২০০৪ ঃ ২৩) কোচৰ পৰা ক্ৰমান্বয়ে কেনেকৈ ৰাজবংশী বুলি পৰিচয় দিবলৈ এওঁলোকে আৰম্ভ কৰিলে, সেই কথা কাছাৰৰ (বৰাক উপত্যকা) কোচ-ৰাজবংশীসকলৰ বিষয়ে আলোচনা কৰিলে অধিক ভালদৰে বুজিব পাৰি। ইছমাইল হোছেইন ডাঙৰীয়াই এই কথা 'অসমীয়া প্ৰতিদিন' কাকতত ভালদৰে আলোচন কৰা বাবে আমি সেইকথা ইয়াত আলোচনা কৰাৰ পৰা বিৰত থাকিলোঁ।

পুনৰ গেইটৰ প্ৰসংগলৈ উভতি আহিছোঁ। কৈছিলোঁ যে কোচ শব্দটোৱে গেইটৰ মনত দ্বিধাৰ সৃষ্টি কৰিছিল। ইতিহাসবিদ আৰু বিজ্ঞজনৰ মনত কোচ শব্দটোৱে দোদুল্যতাৰ সৃষ্টি কৰিলেও, সৰ্বসাধাৰণ মানুহে যেতিয়া কোচ অথবা ৰাজবংশী শব্দটো ব্যৱহাৰ কৰে তেতিয়া তেওঁলোকে এক শ্ৰেণীৰ মানুহকে বুজায়। ৰাভা ভাষাত কোচ শব্দৰ অৰ্থই হ'ল মানুহ। অধিক কি 'আইনি আকবৰী' আৰু 'বাহাৰেস্তান-ই ঘায়েবী'ত কামতাপুৰ ৰাজ্যক কোচ দেশৰূপে লিপিবদ্ধ কৰা হৈছে। তাত আৰু কোৱা হৈছে যে কোচ দেশৰ ভিতৰত কামতা আৰু কামৰূপ নামে দুখন ৰাজ্য আছে (খান ২০০১ঃ৩)। বহল আৰু প্ৰগতিশীল মানসিকতাৰে চালে কোচ দেশৰ সকলো মানুহেই কোচ হ'ব পাৰে। এইবোৰ অৱশ্যে তৰ্কৰ বিষয়। যি কি নহওক গেইটৰ মতে, 'কোচ শব্দটোৱে মূল অসমত (proper Assam) হিন্দুৰ এটি জাতক (caste) বুজায় য'ত হিন্দু ধৰ্মগ্ৰহণ কৰা কছাৰী, মিকিৰ আৰু অন্যান্য জনজাতিৰ লোকক গ্ৰহণ কৰা হৈছে (Gait 1984:46)। প্ৰিয়েৰচন ডাঙৰীয়াই আৰু এখোপ আগুৱাই গৈ কৈছে যে কোচ শব্দটোৱে ইয়াৰ প্ৰকৃত গুৰুত্ব হেৰুৱাই পেলাইছে আৰু এতিয়া (আচলতে তেতিয়া, যেতিয়া গ্ৰিয়েৰচনে লিখিছিল) কোচ বুলিলে তেনেকুৱা এজন বড়োক বুজায় যি ইমান বেছি হিন্দু হৈ গৈছে যে তেওঁ নিজৰ ভাষা, বিশেষকৈ খাদ্য



### অসমৰ চাহ জনগোষ্ঠী

**সম্পাদনা ঃ প্ৰহ্লাদ চন্দ্ৰ তাছা**

মুঠ বিশ (২০)টা প্ৰবন্ধৰে সমৃদ্ধ গ্ৰন্থখনত 'চাহ জনগোষ্ঠী'ৰ সামাজিক-সাংস্কৃতিক দিশ আৰু অৱস্থানৰ বিষয়ে আলোচনা কৰা হৈছে। চাহ শিল্পৰ বিষয়েও দুটামান প্ৰবন্ধত আলোচিত হৈছে। অসমলৈ 'চাহ জনগোষ্ঠী'ৰ আগমনৰ বিশ্লেষণৰ পৰা সাম্প্ৰতিক সাহিত্য চৰ্চা লৈ বিষয়বোৰ লিখিছে দীৰ্ঘদিন ধৰি 'জনগোষ্ঠী'টোৰ সৈতে সাংস্কৃতিক সামাজিক তথা পেচাগতভাৱে যুক্ত লেখক, চিন্তাশীল ব্যক্তিসকলে। গ্ৰন্থখনি প্ৰকাশ কৰিছে অসম সাহিত্য সভাৰ ষটষষ্ঠিতম অধিৱেশনৰ আদৰণি সমিতিয়ে।



### লোক-সংস্কৃতিৰ সফুঁৰা

**সম্পাদনা ঃ ৰাজীৱ শৰ্মা, মনালিছা শইকীয়া, ধৰণী লাহন**

অসমৰ প্ৰায় সকলো জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতিফলন ঘটাবলৈ প্ৰয়াস কৰা সংকলনখনিত মুঠ ৫১ টা প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। সকলোবোৰ প্ৰবন্ধই সংস্কৃতি বিষয়ক। গ্ৰন্থখনিত জনগোষ্ঠীয় সংস্কৃতিক গুৰুত্ব দিয়াৰ লগতে সচৰাচৰ অসমীয়া সমাজত প্ৰচলিত কিছুমান লোক-পৰম্পৰা আৰু বিষয়বোৰ আলোচনা কৰিছে। গ্ৰন্থখনি প্ৰকাশ কৰিছে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে।

OKDISCD

সম্পূর্ণৰূপে ত্যাগ কৰি পেলাইছে (চৌধুৰী ১৯৯৩ ঃ ৬০-৬১)। এইবোৰ কথা এশ বছৰ পুৰণি যদিও, কথাবোৰে এতিয়াও প্ৰাসংগিকতা হেৰুওৱা নাই। অৱশ্যে সাম্প্ৰতিক সময়ত বড়ো (বা অন্য জনগোষ্ঠী)ৰ পৰা কোচ বা ৰাজবংশী হোৱা প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ব্যাহত হৈছে। কোচ-ৰাজবংশী আৰু বড়োৰ ভিন্ন ৰাজনৈতিক ইচ্ছাৰ কাৰণেই কথাবোৰ এতিয়া সম্পূৰ্ণ বেলেগ হৈ পৰিল।

কথা হ'ল গেইট আৰু গ্ৰিয়েৰচন ডাঙৰীয়াই কোৱা কথাবোৰ সত্য। এয়া যে অকল কোচৰ ক্ষেত্ৰতে হৈছে তেনে নহয়, কাৰ্বি জনগোষ্ঠীৰ মাজত এনে এক বিশেষ প্ৰথা আছে যাৰ জৰিয়তে অন্য জনগোষ্ঠীৰ লোক কাৰ্বিৰ অন্তৰ্ভুক্ত হ'ব পাৰে। যোৱা বছৰ গুৱাহাটীৰ ওচৰৰ সোণাপুৰৰ ফালে প্ৰায় পাঁচ শতাধিক গাৰো জনগোষ্ঠীৰ লোকে ধৰ্মীয় ৰীতি-নীতিৰে নিজকে কাৰ্বিলৈ পৰিৱৰ্তিত কৰা বুলি বাতৰি প্ৰকাশ হৈছিল। তিৱা সকলৰো কিছু সংখ্যকে কাৰ্বি হোৱা বুলি তিৱা সাহিত্য সভাৰ সাধাৰণ সম্পাদক গৰাকীয়ে এই লেখকৰ আগত প্ৰকাশ কৰিছে। অন্য জনগোষ্ঠীৰ পৰা কোচত সোমোৱা প্ৰক্ৰিয়াৰ বেছি পৰিমাণে হোৱা যেন লাগে তথা কথাটো বহুলভাৱে চৰ্চিত।

যি কি নহওক, কোচ মানেই যে হিন্দু হোৱা বড়ো, এইটো কিন্তু সম্পূৰ্ণ সত্য নহয়। কোচ শব্দৰ লগতে জনগোষ্ঠীটোৰো স্বকীয়তা আছে, যি এক চিৰ প্ৰবাহিত সংস্কৃতিৰ জৰিয়তে প্ৰতীয়মান হৈছে। কোচৰ জন্ম সম্পৰ্কীয় এটি লিম্বু কিংবদন্তি এই ক্ষেত্ৰত উল্লেখ কৰিবলৈ মন গ'ল। কোচ, মেচ আৰু কচাৰীৰ জন্ম বৃত্তান্তৰ বিষয়ে উল্লেখ থকা এই কিংবদন্তিটোৰ মতে কোচ, মেচ আৰু ধীমলৰ উপৰিপুৰুষ গৰাকী ভগৱানে স্বৰ্গৰ পৰা পৃথিৱীলৈ পেলাই দিয়া তিনিজন ভাই-ককাইৰ এজন। এই তিনি ভাই ককায়ে প্ৰথমতে বানাৰসত সৰি পৰি আৰু তাৰ পৰা তেওঁলোকে তেওঁলোকৰ বাবে ভগৱানে নিৰ্দিষ্ট কৰি দিয়া বাসস্থানৰ সন্ধানত ক্ৰমান্বয়ে উত্তৰ দিশে গতি কৰে। ব্ৰহ্মপুত্ৰ আৰু কোচি নদীৰ মাজৰ ঠাইখিনিক নেপালীসকলে কাচাৰ বা মূলে বুলি কয়। তিনি ভাই ককাইৰ কনিষ্ঠজনে এই কাচাৰতে থাকিবলৈ লয় আৰু কোচ, মেচ আৰু ধীমল জনগোষ্ঠীৰ পিতৃৰূপে পৰিচিত হয়। আন দুজন ভাতৃয়ে পাহাৰৰ আৰু গভীৰলৈ যায় তেওঁলোকৰ সতি-সন্ততিসকলেই হ'ল নেপালৰ লিম্বু আৰু খাম্বু জনগোষ্ঠী (Risley 1998:87)। কিংবদন্তিলোক ইতিহাসৰে অন্য ৰূপ। ভালদৰে চাব জানিলে কিংবদন্তিতে ওলাই পৰে ইতিহাসৰ সমল। আনহাতে বিস্মৃতিৰ মাজত হেৰাই যোৱা অন্য এক লোকগীত মতে আদিম কোচসকলে চীনৰ পৰা বিভিন্ন পৰ্বত-পাহাৰ, নদ-নদী অতিক্ৰমী নামনিলৈ নামি আহিছিল। এই নামি অহাটোকে হয়তো কিংবদন্তিত স্বৰ্গৰ পৰা নামি অহা বুলি কোৱা হৈছে। উপৰ্যুক্ত কাহিনী দুটা কোচ ৰাজবংশীৰ পৰিচয় সংক্ৰান্তীয় দুটা উদাহৰণহে মাথোঁ। ভালদৰে বিচাৰিলে এনেকুৱা কাহিনী বা তথ্য আৰু বহু ওলাই পৰিব বা ওলাই পৰাৰ সম্ভাৱনা আছে।

কোচ-ৰাজবংশী বিতৰ্কৰ অন্ত নাই। পণ্ডিতসকলে এইবোৰ বিতৰ্ক কৰি আত্মসন্তুষ্টি লাভ কৰিলেও ই এজন সাধাৰণ খাটি খোৱা কোচ ৰাজবংশীৰ জীৱনত একো বিশেষ প্ৰভাৱ নেপেলায়। কোচ-ৰাজবংশীৰ প্ৰকৃত পৰিচয় কোচ নে ৰাজবংশী এই সম্পৰ্কে আলোচনা কৰিলে মোৰ প্ৰায়েই উত্তৰ বংগৰ ধূপগুড়ীৰ এজন খাটি খোৱা কোচ-ৰাজবংশী যুৱকৰ মন্তব্যলৈ মনত পৰে। ১৯৯৬-৯৭চন মানত দাদৰ-গুৱাহাটী এক্সপ্ৰেছত এই কোচ-ৰাজবংশী যুৱকজনক লগ পাইছিলোঁ তেওঁৰ বন্ধুবৰ্গৰ সৈতে। তেওঁলোকে ইতিমধ্যে গুজৰাটৰ কোনোবা মিলত তেওঁলোকৰ শ্ৰমিক জীৱনৰ অন্ত পেলায় ঘৰলৈ উভতিছে। কথা-বাৰ্তা হওতে যুৱকক সুধিছিলোঁ তেওঁ নিজকে 'কোচ' বুলি নে 'ৰাজবংশী' বুলি পৰিচয় দিয়ে। তেওঁ মিচিকীয়াই উত্তৰ দিলে যে সেয়া প্ৰশ্নটোৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। কোনোবাই যদি তেওঁক 'কোচ' বুলি সোধে তেনেহ'লে তেওঁ কোচ বুলি কয় আৰু কোনোবাই যদি 'ৰাজবংশী' বুলি সোধে, তেতিয়া তেওঁ ৰাজবংশী বুলি কয়। ৰাই উপাধিধাৰী যুৱকজনে কিছু সময় নীৰৱে থাকি এক উদাস কণ্ঠেৰে মোক ক'লে, '... না আছে ৰাজবাড়ী, না আছে ৰাজা... আমি আৰু এতিয়া নিজকে ৰাজবংশী বুলি পৰিচয় দিয়াৰ কি অৰ্থ, আমিতো এতিয়া সকলোৱে প্ৰজাবংশী হৈ পৰিলোঁ...।' কোনো বিশ্ববিদ্যালয়ৰ ডিগ্ৰী অবিহনেও সেই যুৱকে কোচ-ৰাজবংশীৰ সাম্প্ৰতিক ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাক প্ৰতিফলিত কৰা এক সংজ্ঞা দাঙি ধৰিবলৈ সক্ষম হৈছিল।

চাইবেৰিয়াৰ পৰা নামি অহা কোচ, সংকোচে কোচ উহ্যতে কোচ, কম্বোজৰ পৰা কোচ, ৰজাৰ বংশ কোচ ৰাজবংশী, কোচ-হাবী কচাৰী কোচ, কামতালি কোচ, পানি কোচ, লিচ্ছবী কোচ... কোচ-ৰাজবংশী সম্পৰ্কে কিমান যে কথা! মুঠৰ ওপৰত এনেকুৱা এক হাজাৰ বছৰীয়া পৰম্পৰাৰে, বিবৰ্তনৰ মাজেৰে আহি আজিৰ কামতাপুৰী কোচ-ৰাজবংশী। অন্য জনগোষ্ঠীকো নিজৰ বুকুত আঁকোৱালি লৈয়ে সৃষ্টি হৈছে আজিৰ কোচ-ৰাজবংশী পৰিচয়। কোচ-ৰাজবংশীৰ বুকুৰ কুটুম কুচান নৃত্য আজি কোচ-ৰাজবংশী বা কোচবিহাৰ, ধুবুৰী, বঙাইগাঁৱতে আবদ্ধ হৈ থকা। কুচান নৃত্যৰ সুৰ-তাল-লয় শিকিবলৈ উঠি-পৰি লাগিছে মূলসুঁতিৰ অসমীয়া ছোৱালীয়ে। কামতাপুৰী (গোৱালপৰীয়া) লোক-গীত উজনিৰ ল'ৰাও উছাহেৰে গায়।

আজিৰ কোচ-ৰাজবংশী পৰিচয় প্ৰগতিশীল হ'বই লাগিব। ষোল্ল শতিকাত চিলাৰায়ৰ নেতৃত্বত কোচ শাসিত কামতা ৰাজ্য বিস্তাৰৰ সময়ত আজিৰ অসমৰ বিভিন্ন প্ৰান্তলৈ কোচসকল আহিছিল আক্ৰমণকাৰী সৈন্য হিচাপে। কিন্তু লক্ষণীয়ভাৱে চিলাৰায়ে ৰাজ্য জয় কৰাৰ লগতে মানুহৰ মনো জয় কৰিবলৈ সক্ষম হৈছিল। সেয়ে হয়তো কোচবিহাৰত যি সন্মানেৰে চিলাৰায়ক চোৱা হয়, সেই একেই সন্মানেৰে যোৰহাটতো চোৱা হয়। অন্য জনগোষ্ঠীক কোচ-ৰাজবংশীসকলে নিজৰ পৰিচয়ৰ মাজত কেতিয়াবাই আঁকোৱালি লৈছিল সেয়ে হয়তো, 'মনি কোঁৱৰৰ আখ্যান'নত লিখা আছে— 'কোচ কোচাৰী মিকিৰ লালুং চাৰি জাতি, ইসৱ কোচেৰ শাখা জানিবা সম্প্ৰতি'। মনি কোঁৱৰৰ আখ্যানত আকৌ কোৱা হৈছে, 'মহাৰাজ বীৰ আৰিমত্ত কোচেৰে সন্তান, তান পুত্ৰ এক জোঙাল বলহু প্ৰমাণ, নগাওঁ চহৰি মৌজা তাহাৰ নগৰ, অদ্যাপি আছে জোঙাল বলহু নামে গড়' (চৌধুৰী ১৯৯৩ ঃ ২৯৪)। কোচ-ৰাজবংশীৰ বিষয়ে যিমানে অধ্যয়ন কৰা যায়, সিমানে কোচ-ৰাজবংশীৰ জাতি গঠন প্ৰক্ৰিয়াই মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়। আজিৰ ভাঙোনমুখী অসমীয়া জাতিয়ে কোচ-ৰাজবংশী জাতি গঠন প্ৰক্ৰিয়াৰ পৰা কিবা শিকিব লগা থাকিলে শিকিব পাৰে, তাত নিশ্চয় লাজ কৰিবলগীয়া একো নাই। এই কথা কোচ-ৰাজবংশী নেতা-সংগঠন সকলোৱেও মনত ৰখা উচিত। ■

**প্ৰসংগ**


চৌধুৰী, অম্বিকাচৰণ ১৯৯৩, কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি, বঙাইগাঁও।

...২০০৪, প্ৰৱাহিত সংস্কৃতিয়েই জনগোষ্ঠীৰ আত্মিক পৰিচয়, দ্ৰষ্টব্য ঃ বৰুৱা, উপেন (সম্পাদিত), কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহ, স্মৃতিগ্ৰন্থ, অভয়াপুৰী।

খান, আমানতুল্লা চৌধুৰী, ২০০১, কোচবিহারের ইতিহাস, কোচবিহার (প্ৰথম প্ৰকাশ ঃ ১৯৩৫)

Gait Edward 1984, A History of Assam, Guwahati.

Risley, H.H. 1998, The tribes and Caste of Bengal, Voll.II, Calcutta (First edition : 1991)